**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 08-NOV-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

——————————————

ৰাজ্যত কাৰিকৰী শিক্ষাৰ দিশত যুগান্তকাৰী পদক্ষেপ হিচাপে কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে আজি গহপুৰত ছহিদ কনকলতা বৰুৱা ৰাজ্যিক বিশ্ববিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰিব। ৪১৫ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া এই বিশ্ববিদ্যালয়খন প্ৰযুক্তি আধাৰিত বৃত্তিমূলক শিক্ষা আৰু প্ৰশিক্ষণৰ ক্ষেত্ৰত দেশৰ প্ৰথমখন বিশ্ববিদ্যালয় হ'ব। ৭৩১ বিঘা ভূমিত নিৰ্মাণ কৰিবলৈ লোৱা বিশ্ববিদ্যালয়খনত দুহেজাৰ গৰাকী শিক্ষাৰ্থীৰ বাবে শৈক্ষিক ভৱন, এহেজাৰ ৬২০ গৰাকী শিক্ষাৰ্থীৰ বাবে হোষ্টেল, ৭২ টা আবাসিক ভৱন, অতিথিশালা তথা শিক্ষাৰ্থীৰ সা-সুবিধা কেন্দ্ৰ থাকিব। বিশ্ববিদ্যালয়খনত কৃত্ৰিম বুদ্ধিমত্তা, ৰব'টিক ছায়েন্স, চাইবাৰ সুৰক্ষা, কোৱাণ্টাম কম্পিউটিং, এনিমেচন আৰু গ্ৰাফিক্‌ছ, ড্ৰোণ আৰু নেভিগেচন প্ৰযুক্তি, থ্ৰী ডি প্ৰিণ্টিঙকে ধৰি কেইবাটাও নতুন নতুন বিষয় অন্তৰ্ভুক্ত কৰা হ'ব। আজিৰ অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, শোণিতপুৰৰ সাংসদ ৰঞ্জিত দত্ত আৰু গহপুৰৰ বিধায়ক উৎপল বৰা উপস্থিত থাকিব।

০০০০০০

দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ অহা কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে কালি উজান বজাৰত ব্ৰহ্মপুত্ৰ ৰিভাৰ ফ্ৰণ্টৰ সতী ৰাধিকা শান্তি উদ্যান আৰু পাণবজাৰৰ গে'টৱে অৱ্ গুৱাহাটীৰ অত্যাধুনিক ফেৰী টাৰ্মিনেল আৰু জেটি আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। ৬৩২ কোটি টকা ব্যয়সাপেক্ষে এই প্ৰকল্প দুটা নিৰ্মাণ কৰা হৈছে। অনুষ্ঠানৰ পাছত মুখ্যমন্ত্ৰী ড° শৰ্মাই এই প্ৰকল্পই জলপৰিবহণৰ দিশত বৈপ্লৱিক পৰিৱৰ্তন সাধন কৰিব বুলি সাংবাদিকৰ আগত উল্লেখ কৰে।

**বাইট (চি এম)**

ইয়াৰ আগতে কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে কালি আবেলি জাগীৰোডৰ চেমিকনডাক্টৰ প্ৰকল্প পৰিদৰ্শন কৰি প্ৰকল্পটোৰ কাম-কাজৰ অগ্ৰগতি সম্পৰ্কে বুজ লয়। অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ সামগ্ৰিক দৃশ্যপট সলনি কৰিবলৈ অগ্ৰসৰ হোৱা জাগীৰোডৰ এই প্ৰকল্পত উপস্থিত থাকিবলৈ পাই তেওঁ আনন্দিত হোৱা বুলি মন্তব্য কৰে। উদ্যোগিক ক্ষেত্ৰক নতুন ৰূপ দানেৰে সমগ্ৰ অঞ্চলটোত নিয়োগৰ সুযোগ সৃষ্টি কৰিব পৰা এই প্ৰকল্পটো অসমত স্থাপন কৰাৰ ক্ষেত্ৰত আগবঢ়োৱা সহায়ৰ বাবে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰে। শ্ৰীমতী সীতাৰমনে অসম আৰু উত্তৰ-পূৱ ভাৰতৰ থলুৱা উদ্যোগী, জ্যেষ্ঠ উদ্যোগপতি আৰু ছাত্ৰ-ছাত্ৰীসকলৰ সৈতেও গঠনমূলক আলোচনাত মিলিত হয়। অনুষ্ঠানত মুখ্যমন্ত্ৰী লগতে জলসম্পদ মন্ত্ৰী পীযুছ হাজৰিকা, সাংস্কৃতিক পৰিক্ৰমা মন্ত্ৰী বিমল বৰা, মৰিগাওঁ সমষ্টিৰ বিধায়ক ৰমাকান্ত দেউৰী, মুখ্য সচিব ড০ ৰবী কোটা, জিলা আয়ুক্ত অনামিকা তিৱাৰী, টাটা ইলেকট্ৰনিক্সৰ মুখ্য কাৰ্যবাহী বিষয়া ডাঃ ৰণধীৰ ঠাকুৰৰ লগতে অন্যান্য গন্য মান্য ব্যক্তি উপস্থিত থাকে। অহা বছৰৰ ফেব্ৰুৱাৰীত এই প্ৰকল্পটো আনুষ্ঠানিকভাৱে উদ্বোধন কৰা হ'ব। প্ৰকল্পটোৱে ৰাজ্যখনৰ অৰ্থনৈতিক বিকাশৰ দিশত নতুন দিগন্তৰ সূচনা কৰিব বুলি আশা কৰা হৈছে।

০০০০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে গুৱাহাটীৰ লাচিত ঘাটত কাইলৈ আয়োজিত ৯৩ সংখ্যক বায়ু সেনা দিৱসৰ কেন্দ্ৰীয় অনুষ্ঠানত অংশগ্ৰহণ কৰিব। এই অনুষ্ঠানৰ অংশ হিচাপে সেইদিনা দুপৰীয়া চাৰে ১২ বজাৰ পৰা দিনৰ দুই

বজালৈ এয়াৰ শ্ব' প্ৰদৰ্শন কৰা হ'ব। কেন্দ্ৰীয়ভাৱে অনুষ্ঠিত এই এয়াৰ শ্ব'ত ৰাফেল, মিগ, ছুখয় আদিৰ দৰে ৭৫ খন বিমানে ভাগ ল'ব। বিদ্যালয় আৰু মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ লগতে বৃদ্ধাশ্ৰমৰ আবাসীসকলক অনুষ্ঠানলৈ আমন্ত্ৰণ জনোৱা হৈছে। গুৱাহাটীৰ উজান বজাৰৰ নতুন পাৰ্কৰ পৰা ইচ্ছুক ব্যক্তিসকলে ফ্লাইং শ্ব' চাব পাৰিব। জনসাধাৰণে সুবিধা অনুযায়ী গুৱাহাটীৰ নিজৰ ঘৰৰ পৰাও এই শ্ব'টো উপভোগ কৰিব পাৰিব। মহানগৰীৰ অশ্বক্লান্ত মন্দিৰৰ প্ৰাংগণত অতিথিৰ বাবে এয়াৰ শ্ব' চোৱাৰ ব্যৱস্থা কৰা হৈছে।

০০০০০০

চাহ বাগিছাৰ কৰ্তৃপক্ষৰ দ্বাৰা পৰিচালিত বিদ্যালয়সমূহত কৰ্মৰত শিক্ষকসকলৰ চাকৰি নিয়মীয়াকৰণৰ বিষয়টোক লৈ কালি তিনিচুকীয়া জিলা আয়ুক্তৰ কাৰ্যালয়ত এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। সভাত ৰাজ্যৰ শ্ৰম আৰু শ্ৰমিক কল্যাণ বিভাগৰ মন্ত্ৰী ৰূপেশ গোৱালাই অংশগ্ৰহণ কৰে। সভাখনত বাগিছা কৰ্তৃপক্ষক শিক্ষকসকলৰ চাকৰি নিয়মীয়াকৰণৰ লগতে বিদ্যালয়সমূহত খালী হৈ থকা পদসমূহ শীঘ্ৰে পূৰণ কৰিবলৈ বাগিছা কৰ্তৃপক্ষক আহ্বান জনোৱা হয়। সভাত তিনিচুকীয়া জিলাৰ ২৬ খন বাগিছাৰ কৰ্তৃপক্ষৰ লগতে সহকাৰী শ্ৰম আয়ুক্ত উপস্থিত থাকে।

০০০০০০

হোজাই জিলাৰ জোৰাপুখুৰীত কালি দিপাকংৰ দাস নামৰ এজন লোকৰ বিদ্যুৎপৃষ্টৰ ঘটনাত মৃত্যু হয়। পথাৰত ধান কাটিবলৈ যাওঁতে ওলমি থকা বিদ্যুতৰ তাঁৰৰ সংস্পৰ্শত আহি এই লোকজনৰ মৃত্যু হোৱা বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে। পৰৱৰ্তী সময়ত সময়ত দিপাংকৰ দাসক জোৰাপুখুৰীস্থিত জিলা অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰা হৈ যদিও পাছত চিকিৎসকে মৃত্যু হোৱা বুলি ঘোষণা কৰে। এই ঘটনা সন্দৰ্ভত আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে।

০০০০০০

সমাপ্ত